নং ঃ ৬৭৫/২০২০

# ৬৬ তম্ বন্যপ্ৰাণী সপ্তাহৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

**ৰাজ্যৰ বনাঞ্চলৰ পৰিসৰ ২ হাজাৰ বৰ্গ কিলোমিটাৰ বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত**

## পূৰ্বতে এশিঙীয়া গঁড় হত্যাৰ জৰিয়তে আমাৰ স্বাভিমানক হত্যা কৰাৰ ষড়যন্ত্ৰ চলাইছিল ঃ মুখ্যমন্ত্ৰী

## দুৰ্নীতিক প্ৰশ্ৰয় দিয়া বিষয়া-কৰ্মচাৰী তথা ৰাজনীতিবিদ কোনেও সাৰি যাব নোৱাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ অক্টোবৰ ঃ** ‘ৰাজ্য চৰকাৰে আগন্তুক দিনত ৰাজ্যখনৰ বনাঞ্চলৰ পৰিসৰ ২ হাজাৰ বৰ্গ কিলোমিটাৰ বৃদ্ধিৰ বাবে পদক্ষেপ লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে বন্যপ্ৰাণীৰ স্বাস্থ্য আৰু গৱেষণাৰ বাবে ইনষ্টিটিউট অৱ ৱাইল্ড লাইফ হেলথ্ এণ্ড ৰিচাৰ্চ নামৰ এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠান গঢ়ি তুলিব। ডিব্ৰুগড় জিলাৰ দিনজানত এই প্ৰতিষ্ঠানটো গঢ়ি তোলা হ’ব। আনহাতে কাজিৰঙা আৰু মানস ৰাষ্ট্ৰীয় উদ্যানৰ দৰে প্ৰতিখন সংৰক্ষিত বনাঞ্চলত থকা কেম্পত সৌৰ শক্তি চালিত চাকি আৰু স্মাৰ্ট ফোন প্ৰদান কৰিব ৰাজ্য চৰকাৰে।’ আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ দ্বাৰা আয়োজিত ৬৬ তম্ বন্যপ্ৰাণী সপ্তাহৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰাইল বনাঞ্চলত এটা বন সংমণ্ডল স্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। দিহিং-পাটকাইক জয়পুৰৰ লগত সংযোগ কৰি ৰাষ্ট্ৰীয় উদ্যান এখন গঢ়ি তোলাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে জোনাইৰ পবাস্থিত বৰ্ষাৰণ্যক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদ আৰু বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। বনাঞ্চলৰ সৌন্দৰ্য বৃদ্ধিত পশু-পক্ষীৰ অৱদান আছে বুলি উল্লেখ কৰি

মুখ্যমন্ত্ৰীয়ে কয় যে পশু-পক্ষী অৰিহনে মানৱ সমাজ জীয়াই থাকিব নোৱাৰে। সেইবাবে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত আমি সকলোৱে দায়বদ্ধতাৰে আগুৱাই যাব লাগিব। আমাৰ জৈব্য-বৈচিত্ৰই পৰ্যটকক আকৰ্ষিত কৰি আহিছে বুলিও তেওঁ কয়। বনাঞ্চল, বন্যপ্ৰাণীৰ সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য অটুট ৰখাৰ বাবে সকলোৱে দায়বদ্ধতাৰে আগুৱাই আহিব লাগিব।

পূৰ্বৰ চৰকাৰে গঁড় হত্যাৰ ক্ষেত্ৰত আন্তৰিকতা নেদেখুৱালে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাজিৰঙাত প্ৰতিমাহে গঁড় হত্যা হৈছিল। বহু নিৰীহ প্ৰাণীৰ মৃত্যু হ'ল। চোৰাং চিকাৰীয়ে কাজিৰঙাক মুকলি পথাৰ হিচাপে গণ্য কৰিছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ ফলত কাজিৰঙাত চোৰাং চিকাৰীৰ প্ৰৱেশ নিষিদ্ধ হ'ল। ১০খন ফাষ্ট ট্ৰেক ক'ৰ্টৰ জৰিয়তে ২৪০ গৰাকী চোৰাং চিকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা হৈছে। সমাজখনলৈ এনে এক বাৰ্তা গৈছে যে অপকৰ্মত লিপ্ত কাকো চৰকাৰে ৰেহাই নিদিয়ে। বন্যপ্ৰাণীক নিৰাপত্তা প্ৰদান কৰিব পৰা পৰিৱেশ এটা গঢ়লৈ উঠাৰ বাবেই আজি পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে। পূৰ্বতে এশিঙীয়া গঁড়ৰ হত্যাৰ জৰিয়তে আমাৰ স্বাভিমানক হত্যা কৰাৰ ষড়যন্ত্ৰ চলিছিল। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত জিলা প্ৰশাসন, বন বিভাগ আৰু জনসাধাৰণৰ সহযোগত অসাধু চক্ৰক উৎখাত কৰাটো সম্ভৱ হ'ল বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা দুৰ্নীতিৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি আহিছে। ৰাজ্য চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিবলৈ সংকল্পবদ্ধ আৰু দৃঢ় প্ৰতিজ্ঞ। দুনীৰ্তিক প্ৰশ্ৰয় দিয়া বিষয়া-কৰ্মচাৰী, ৰাজনীতিবিদ সাৰি যাব নোৱাৰে। দুৰ্নীতিৰ বিৰুদ্ধে অভিযান চলি থাকিব। এই ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব। দুৰ্নীতিয়ে সমাজখন অপৰিষ্কাৰ কৰে। সেইবাবে দুৰ্নীতিৰ সৈতে জড়িত থকা লোক ৰেহাই নাপাব। দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে উল্লেখযোগ্য সফলতা লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বন আৰু পৰিৱেশ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই কয় যে ৰাজ্য চৰকাৰে ১০ কোটি গছপুলি ৰোপণৰ সিদ্ধান্ত লৈ ৮ কোটি গছপুলি ৰোপণৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰিছে। মন্ত্ৰী গৰাকীয়ে কয় যে আমাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনৰ লগত প্ৰকৃতিৰ সম্পৰ্ক আছে। বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি আমি সকলোৱে দায়বদ্ধ হ'ব লাগিব বুলিও তেওঁ কয়। চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কয় যে জীৱ-জন্তু আমাৰ আধ্যাত্মিক আৰু সমাজ জীৱনত অংগাগী ভাবে জড়িত। সৰগ সদৃশ সেউজীয়া পৰিৱেশৰ মাজত জীৱ-জন্তুৱে বসবাস কৰে। তেওঁ কয় যে জীৱ-জন্তুক বচাই ৰাখিলেহে মানৱ সমাজৰ সৰ্বাত্মক মঙ্গল হ'ব। আজিৰ এই অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, প্ৰধান মুখ্য

বনসংৰক্ষক তথা ৰাজ্যৰ বন বাহিনীৰ প্ৰধান এ এম সিং, প্ৰধান মুখ্য বন্যপ্ৰাণী সংৰক্ষক ( বন্যপ্ৰাণী) অমিত সাহাই ভাষণ দিয়ে।

মুখ্যমন্ত্ৰীয়ে বিশিষ্ট পৰিৱেশবিদ পৰিমল চন্দ্ৰ ভট্টচাৰ্যক আজিৰ অনুষ্ঠানতে জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণত উল্লেখযোগ্য ভূমিকা লোৱা ব্যক্তি, সংগঠনক বঁটা প্ৰদান কৰাৰ উপৰি বিদ্যালয় পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলকো পুৰষ্কাৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে হাড়গিলা সংৰক্ষণত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি অহা ড° পূৰ্ণিমা দেৱী বৰ্মনকো সম্বৰ্দ্ধনা জনায়।

আজিৰ এই অনুষ্ঠানত বিধায়ক আঙুৰলতা ডেকা, অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক এন কে যাদব প্ৰমুখ্যে বিশিষ্ট পৰিৱেশবিদ, পৰিৱেশ আৰু বন বিভাগৰ উচ্চ পদস্থ বিষয়াৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল

**পুঃডেঃ / বঃভাঃ**
**৭/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in